## (ক) অসম গণ পৰিষদ (Asom Gana Parishad)

অসমৰ আঞ্চলিক দল বুলিলে 'অসম গণ পৰিষদ'কে বুজায়। অসমত অসম গণ পৰিষদ নামৰ আঞ্চলিক দলটোৰ গঠন হৈছিল ১৯৮৫ চনত। সাধাৰণতে ভাৰতৰ অন্য ৰাজ্যত জাতি আৰু সম্প্ৰদায়ৰ ভিত্তিত গঠিত হোৱা আঞ্চলিক দল সমূহৰ দৰে 'অসম গণ পৰিষদ' গঠন হোৱা নাছিল। ইয়াৰ জন্ম লগ্ন অন্য আঞ্চলিক দল সমূহৰ জন্ম লগ্নৰ দৰে নহয়। অসমত বিদেশী অনুপ্ৰৱেশৰ বাবে অসমৰ অস্তিত্ব বিপন্ন হোৱাৰ আশংকা কৰি সদৌ অসম ছাত্ৰ সংস্থা নামৰ সংগঠনে অসমৰ পৰা অবৈধ বিদেশী সকলক খেদিবৰ বাবে আন্দোলন আৰম্ভ কৰিছিল। প্ৰায় ছয়বছৰ ধৰি অৱস্থাত থকা বিদেশী বিতাড়ন আন্দোলনৰ অৱসান হৈছিল ১৯৮৫ চনত কেন্দ্ৰীয় চৰকাৰৰ সৈতে হোৱা এখন চুক্তিৰ জৰিয়তে।

Scanned by CamScanner

অসমত বিদেশী বিতাড়ন আন্দোলন চলি থকাৰ বাবে অসম বিধানসভাৰ নিৰ্বাচন সময়মতে অনুষ্ঠিত হোৱা নাছিল। কিন্তু ১৯৮৫ চনত 'অসম চুক্তি' সম্পাদন হোৱাৰ পিছত অসমত বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা ঘোষণা কৰা হৈছিল। তেতিয়া সদৌ অসম ছাত্ৰ সংস্থা আৰু অসমৰ আন্দোনৰ লগত জড়িত আন কিছুমান সংগঠন যেনে—অসম গণ সংগ্ৰাম পৰিযদৰ ব্যক্তি সন্মিলিত হৈ 'অসম গণ পৰিষদ' নামৰ এটা আঞ্চলিক ৰাজনৈতিক দলৰ গঠন কৰিছিল। অসম গণ পৰিষদ দলে ১৯৮৫ চনত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা আসন লাভ কৰি চৰকাৰ গঠন কৰে। নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠ আসন লাভ কৰি চৰকাৰ গঠন কৰে।

## অসম গণ পৰিষদৰ মূখ্য উদ্দেশ্যসমূহ (Main Objectives of AGP)

(১) অসমত বিদেশী অনুপ্ৰৱেশকাৰীৰ সোঁত বন্ধ কৰা,

(২) অসমত ইতিমধ্যে বসবাস কৰি থকা বিদেশী সকলক চিনাক্ত কৰা আৰু বহিষ্কাৰ কৰা,

(৩) ১৯৬৭ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নতিকৰণ,

(৪) অসমৰ আৰ্থিক আৰু অন্যান্য ক্ষেত্ৰত কেন্দ্ৰই আন ৰাজ্যসমূহৰ সমানে-সমানে সুবিধা সুবিধা দিয়া,

(৫) এখন ক'লাক্ষেত্ৰ প্ৰতিষ্ঠা কৰা,

(৬) ব্ৰহ্মপুত্ৰৰ ওপৰত আৰু দুখন দলং নিৰ্মাণ কৰা,

(৭) অসমত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু এখন সৰ্বভাৰতীয় কাৰিকৰী প্ৰতিষ্ঠান কৰা, আৰু

(৮) অসম আৰু বাংলাদেশৰ সীমাত কাঁটাতাঁৰৰ বেৰ নিৰ্মাণ।

অসম গণ পৰিষদে চৰকাৰ গঠন কৰাৰ পিছত অসমচুক্তি কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই দলে ধৰ্মনিৰেপক্ষতাবাদ, সমাজবাদ, আদি মূল্যবোধৰ ওপৰত গুৰুত্ব দিয়ে।

অসম এখন বিভিন্ন ভাষা, ধৰ্মৰ সমন্বয়েৰে বৈচিত্ৰময় ৰাজ্য। অসম গণ পৰিষদ দলটো অসম আন্দোলনৰ নেতৃত্ব বহন কৰা নেতা সকলৰ দ্বাৰা গঠিত হোৱা বাবে সকলো লোকৰ পৰা সহাৰি লাভ কৰাত অসমৰ্থ হৈছিল।

অসম গণ পৰিষদ দলে ১৯৮৫ চনত অনুষ্ঠিত হোৱা বিধান সভাৰ নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিছিল। দলৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে অভিষিক্ত হৈছিল। অলপ দিনৰ ভিতৰতে সৰ্ব সাধাৰণ মানুহে এই দলৰ প্ৰতি আস্থা হেৰুৱালে কিয়নো এজিপি দলে জনসাধাৰণৰ আশা-আকাংক্ষা সমূহৰ প্ৰতি মনকান নিদি ব্যক্তিগত স্বাৰ্থ পূৰণতহে অধিক গুৰুত্ব দিছিল। ফলস্বৰূপে ১৯৯১ চনৰ সাধাৰণ নিৰ্বাচনত জনসাধাৰণে তেওঁলোকৰ পৰিবৰ্তে কংগ্ৰেছৰ দলৰ প্ৰতি সমৰ্থন জনাইছিল। ১৯৯৬ চনৰ বিধান সভাৰ নিৰ্বাচনত এজিপি দলে অন্য

Scanned by CamScanner

কিছুমান দলৰ সৈতে একেলগ হৈ পুনৰ প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু অসম গণ পৰিষদ দলৰ ভিতৰত দেখা দিয়া অন্তৰ্কলহৰ বাবে দলটোৰ মাজত বিভাজন ঘটিছিল আৰু ১৯৯৮ আৰু ১৯৯৯ চনত অনুষ্ঠিত হোৱা লোকসভাৰ নিৰ্বাচনত এই দলে এখনো আসন লাভ কৰিব পৰা নাছিল। ২০০১ চনত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ নিৰ্বাচনত অসম গণ পৰিষদ দলে শোচনীয়ভাৱে পৰাজয়ক মূৰ পাতি ল'ব লগা হৈছিল। ২০০৩ চনত অসম গণ পৰিষদ দলৰ সভাপতিৰ দায়িত্ব শ্ৰীযুত বৃন্দাবন গোস্বামীয়ে গ্ৰহণ কৰাত দলৰ জনপ্ৰিয়তা কিছু পৰিমাণে বৃদ্ধি পাইছিল আৰু ২০০৪ চনৰ লোকসভাৰ সাধাৰণ নিৰ্বাচনত অসম গণ পৰিষদে দুখন আসন লাভ কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে ২০০৬ চনৰ বিধান সভাৰ নিৰ্বাচনত এই দলে আকৌ পৰাজয় বৰণ কৰিব লগা হয়। এনেদৰে ক্ৰমাগতভাৱেই অসম গণ পৰিষদ দলৰ জনপ্ৰিয়তা হ্ৰাস পাই আহে আৰু এই দলে ২০১৪ আৰু ২০১৯ চনৰ লোকসভাৰ নিৰ্বাচনত এখনো আসনত জয়লাভৰ মুখ দেখা পোৱা নাই।

অসমৰ জনসাধাৰণে গভীৰ আশাৰে প্ৰতিষ্ঠা কৰা অসম গণ পৰিষদ দলৰ নেতাসকলৰ দুৰ্নীতি, স্বজনপ্ৰীতি, খাম-খেয়ালী, ক্ষমতাৰ প্ৰতি থকা লিপ্সাৰ বাবেই জনসাধাৰণৰ মনৰ পৰা আঁতৰি আহিব লগা হৈছে। অসমৰ জনসাধাৰণে তেওঁলোকক শুদ্ধ পথলৈ আহিবলৈ কেইবাবাৰো সুবিধা প্ৰদান কৰিছিল যদিও তেওঁলোকৰ দূৰদৰ্শিতাৰ অভাৱ তথা ৰাজনৈতিক জ্ঞানৰ অভাৱৰ বাবে সেই সুযোগ ল'ব পৰা নাই। শেহতীয়াকৈ ২০১৯ চনত গৃহীত নাগৰিকত্ব সংশোধনী বিধেয়কৰ প্ৰতি তেওঁলোকৰ সমৰ্থনে জনসাধাৰণৰ তেওঁলোকৰ ওপৰত থকা শেষ আস্থা কনো নাইকিয়া কৰিলে বুলি বহুতো পণ্ডিতে ক'ব বিচাৰে।

Scanned by CamScanner